C5M1Z2

# পাঠ - ৫

## বৃত্ত

তলৰ ছবিখন চোৱা। গোল '○' আকৃতিটো ক'ত ক'ত দেখিছা আলোচনা কৰা



ছবিখনত গোল '○' আকৃতিটো ক'ত ক'ত আছে চাওঁ আহা













তলৰ বস্তুবোৰ নিজে আঁকি চোৱা




**কৰি চাওঁ আহা**


এপাত খাৰু লোৱা আৰু খাৰু পাত কাগজত বহুৱাই চাৰিওফালে পেঞ্চিলেৰে আঁকি যোৱা। এতিয়া খাৰু পাত উঠাই আনা। কাগজখিলাত এটা ঘূৰণীয়া আকৃতি পোৱা নাইনে?

এই ঘূৰণীয়া আকৃতিটোৱেই হৈছে **'বৃত্ত'**।






- বৃত্তাকৃতিৰ কাগজ এখন কাটি লোৱা।





- এতিয়া বৃত্তাকৃতিৰ কাগজ খন সমানে দুভাঁজ কৰা।

- ভাঁজ কৰা কাগজখন পুনৰ আধা ভাঁজ কৰা।



- ভাঁজ কৰা কাগজখন খুলি দিয়া।






- ভাঁজে ভাঁজে কাগজখনত দুডাল আঁচ টানা।
- দুয়োডাল আঁচে য'ত কটাকটি কৰিছে সেই ফুটটোৱে হৈছে বৃত্তটোৰ **কেন্দ্ৰ**।
- আঁচ দুডাল জুখি চোৱা। দুয়োডাল সমাননে? এই আঁচ দুডাল হ'ল বৃত্তৰ **ব্যাস**।

## কৰি চাওঁ আহা

***শিক্ষকলৈ নিৰ্দেশনা*** ঃ *এডাল দীঘল ৰছী, এটা দীঘল খুঁটি আৰু এটা চুটি খুঁটি ল'ব। ছাত্ৰ-ছাত্ৰীক বাহিৰলৈ উলিয়াই আনি শাৰী পাতি চৌহদত থিয় কৰাওক। প্ৰথমে দীঘল খুঁটিটো চৌহদৰ মাজত পুতি লওক। ৰছীডালৰ এটা মূৰ খুঁটিটোত বান্ধি লওক। ৰচীডালৰ আনটো মূৰ চুটি খুঁটিটোত বান্ধি দিয়ক। এজন ছাত্ৰ বা এজনী ছাত্ৰীক চুটি খুঁটিটোত টানকৈ ধৰি চাৰিওপিনে সম্পূৰ্ণ এপাক ঘূৰি দাগ দি যাবলৈ দিয়ক। দাগ দিয়া ঘূৰণীয়া আকৃতিটোৱেই যে এটা বৃত্ত তাক ছাত্ৰ-ছাত্ৰীক এই ক্ৰিয়াকলাপৰ দ্বাৰা বুজাই দিব। ৰছীডাল চুটি/দীঘল কৰি এনেদৰে ছাত্ৰ-ছাত্ৰীক বৃত্ত আঁকিবলৈ দিয়ক। খুঁটিটোৰ পৰা সমান আঁতৰত ছাত্ৰ-ছাত্ৰীক থিয় হ'বলৈ দিও বৃত্তৰ ধাৰণা দিব পাৰে।*



## জানি লওঁ আহা

চুটি খুঁটিটোৱে অঁকা ঘূৰণীয়া আকৃতিটোৱেই হৈছে **বৃত্ত**।


দীঘল খুঁটিটো হ'ল বৃত্তটোৰ **কেন্দ্ৰ**।

দীঘল খুঁটিটোৰ পৰা ৰছীৰ দৈৰ্ঘ্যই হ'ল বৃত্তটোৰ **ব্যাসাৰ্ধ**।

(ৰছীৰ দৈৰ্ঘ্য × ২) হ'ল বৃত্তটোৰ **ব্যাস**।


ব্যাসৰ আধা হৈছে ব্যাসাৰ্ধ।

কাষৰ বৃত্তটোৰ ব্যাস আৰু ব্যাসাৰ্ধ জুখি লিখা।




ব্যাসাৰ্ধ = .................     ব্যাস == ................

## কম্পাছেৰে **বৃত্ত আঁকো আহা**




- জ্যামিতিৰ বাকচত কাষত দিয়া ধৰণৰ এবিধ সঁজুলি দেখিছানে ?

  এই সঁজুলি বিধৰ নাম হ'ল **কম্পাছ**।

- কম্পাছ এডালৰ স্ক্ৰুটো ঢিলা কৰি লৈ জোঙা পেঞ্চিল এডাল আঙঠিটোত সুমুৱাই লোৱা। স্ক্ৰুটো এতিয়া টান কৰি লোৱা ।

- কম্পাছ ডাল মেলি দিয়া।




- কম্পাছ ডালৰ জোঙা মূৰটো হেঁচা দি কাগজ এখিলাত বহুৱাই লোৱা।

- কম্পাছ ডালৰ জোঙা মূৰটো লৰ চৰ নকৰাকৈ ৰাখি পেঞ্চিলডাল লাহে লাহে চাৰিওফালে ঘূৰোৱা।

- এনেদৰে ঘূৰাওতে পেঞ্চিলৰ জোঙা মূৰটোৱে কাগজত এটা ঘূৰণীয়া আকৃতিৰ সৃষ্টি কৰিব।

- এই ঘূৰণীয়া আকৃতিটোৱেই এটা বৃত্ত ।

- কাগজখিলাত কম্পাছৰ জোঙা মূৰটো য'ত লগাইছিলা তাত এটা দাগ দিয়া।





- এই দাগটো হৈছে বৃত্তটোৰ **কেন্দ্ৰ**।

*শিক্ষকলৈ নিৰ্দেশনা ঃ শিক্ষকে ছাত্ৰ-ছাত্ৰীক কম্পাছেৰে বৃত্ত আঁকিবলৈ সহায় কৰিব।*

## স্কেলত জোখ লৈ বৃত্ত আঁকো আহা


স্কেল এডালৰ '০' দাগত কম্পাছডালৰ জোঙা মূৰটো বহুৱাই লৈ পেঞ্চিলৰ মূৰটো স্কেলৰ ২ চে মি দাগলৈ মেলি দিয়া। এতিয়া কাগজত কম্পাছৰ মূৰটো বহুৱাই পেঞ্চিল ডাল লাহে লাহে ঘূৰোৱা। এনেদৰে ঘূৰাওঁতে যিটো বৃত্ত পাবা তাৰ ব্যাসাৰ্ধ হ'ল ২ চে মি।



তলত দিয়া মতে ব্যাসাৰ্ধৰ জোখ লৈ বৃত্তকেইটা আঁকা

| ১ চে মি | ২ চে মি |
| --- | --- |
| | |

তলত দিয়া বৃত্তবোৰৰ ব্যাসাৰ্ধৰ জোখ লোৱা।



ব্যাসাৰ্ধ=................

ব্যাস== ২ × ব্যাসাৰ্ধ

= ২ × ......... = ...........

ব্যাসাৰ্ধ = ................

ব্যাস = ২ × ব্যাসাৰ্ধ

= ২ × ......... = ...........

ব্যাসাৰ্ধ = ................

ব্যাস = ২ × ব্যাসাৰ্ধ

= ২ × ......... =...........

তলৰ বৃত্তাকৃতিৰ বস্তুবোৰৰ ব্যাস উলিওৱা।



ব্যাস = ................




ব্যাস = ................



ব্যাস = ................


## বৃত্তৰ সহায়ত বিভিন্ন নক্সা আঁকো আহা

(১) এটা বৃত্ত আঁকা। (২) বৃত্তটোৰ ভিতৰৰ যিকোনো ঠাইৰ পৰা একে সমান ব্যাসাৰ্ধলৈ আন এটা বৃত্ত আঁকা। বৃত্ত দুটাই কটাকটি কৰা ঠাইত 'ক' আৰু 'খ' লিখা। (৩) এই 'ক' আৰু 'খ'ক কেন্দ্ৰ হিচাপে লৈ আৰু দুটা বৃত্ত আঁকা। এইদৰে নতুনকৈ অঁকা বৃত্ত কেইটা য'ত প্ৰথমে অঁকা বৃত্তটোৰ লগত লগ লাগিছে সেইকেইটা বিন্দুক কেন্দ্ৰ হিচাপে লৈ আৰু বৃত্ত আঁকি যোৱা। কি পালা চোৱা।




## খেলি চোৱা

কেইটামান লিচুৰ গুটি লোৱা। গুটিবোৰৰ মাজ ডোখৰ চকলকৈ কাটি লোৱা। দিয়াচলাই কাঠী এডাল এই চকলবোৰৰ মাজত সুমুৱাই দি লাটুমৰ দৰে সাজি লোৱা। এনেদৰে সজা লাটুমটো কাঠীডালত ধৰি ঘূৰোৱা।




কি পালা ?

- কোনটো লাটুম বহুত সময় ধৰি ঘূৰি থাকিল খালী ঘৰত (✓) চিন দিয়া।
- কোনটো লাটুমৰ কাঠীডাল কেন্দ্ৰৰ আটাইতকৈ ওচৰত আছে বাকচত লিখা। ☐
- কোনটো লাটুম একেবাৰে নুঘূৰিলে ? ☐